No. of Printed Pages—4

691 (ASE)

[19 HRGPKOW–D1S(N) 20F]

BA 1st Semester (New) Exam., 2019 (W)

ASSAMESE

[GAS S1–01]

(অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* অতি চমুকৈ উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) 'নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি'খন কিমান চনত উদ্ধাৰ কৰা হৈছিল ?

(ii) 'হৰিবৰ বিপ্ৰ' অসমীয়া সাহিত্যৰ কোনটো যুগৰ কবি ?

(iii) মাধৱদেৱৰ 'নামঘোষা' পুথিক 'মহাপ্ৰস্থানিক গীত' বুলি কোনে অভিহিত কৰিছিল ?

(iv) সুকুমাৰ বৰকাথে ৰচনা কৰা যি কোনো এখন ব্যৱহাৰিক সাহিত্যৰ পুথিৰ নাম লিখক।

(v) 'আসাম বন্ধু' কাকতখন কোনে সম্পাদনা কৰিছিল ?

(vi) প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম কি ?

(vii) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ লেখক কোন ?

(viii) বীণা বৰুৱা ছদ্মনামেৰে কোনগৰাকী সাহিত্যিকে সাহিত্যচৰ্চা কৰিছিল ?

(b) তলৰ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো লিখক : 1×4=4

(i) "শিয়ালীয়ে নাহিবি ৰাতি,
তোৰে কাণ কাটি লগামে বাতি।"
এইটো হৈছে

(1) আইনাম

(2) নিচুকনি গীত

(3) দেহবিচাৰৰ গীত

(4) ফুলকোঁৱৰৰ গীত

(ii) 'শূন্যপুৰাণ' গ্ৰন্থখনৰ লেখক হ'ল

(1) সুকবি নাৰায়ণ

(2) বড়ু চণ্ডীদাস

(3) ৰামাই পণ্ডিত

(4) মাধৱদেৱ

(iii) 'চৰিতপুথি'সমূহ মূলতঃ

(1) প্ৰাক্-শংকৰী যুগৰ সাহিত্য

(2) শংকৰী যুগৰ সাহিত্য

(3) শংকৰোত্তৰ যুগৰ সাহিত্য

(4) আধুনিক যুগৰ সাহিত্য

(iv) অসমীয়া সাহিত্যত 'শেৱালি কবি'খ্যাত কবিগৰাকী হৈছে

(1) ৰত্নকান্ত বৰকাকতী

(2) চন্দ্ৰকুমাৰ আগৰৱালা

(3) লক্ষ্মীনাথ বেজবৰুৱা

(4) ৰঘুনাথ চৌধাৰী

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) _____ লিপি সাধাৰণতে বাওঁফালৰ পৰা সোঁফাললৈ লিখা হয়।

(ii) সংস্কৃত _____ শব্দৰ পৰা পাঁচালী শব্দটোৰ সৃষ্টি হৈছে।

(iii) 'অৰুণোদই' আলোচনীখন _____ চনত প্ৰকাশ হৈছিল।

(iv) দণ্ডিনাথ কলিতাৰ 'গণবিপ্লৱ' উপন্যাসখন _____ বিদ্রোহৰ পটভূমিত ৰচিত।

2. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া সাহিত্যৰ যুগবিভাজন মূলতঃ কোনকেইগৰাকী পণ্ডিতে কৰিছিল, উল্লেখ কৰক।

(b) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজে, লিখক।

(c) চৰ্যাপদৰ ভাষা সম্পৰ্কে চমুকৈ লিখক।

(d) অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকনে কেনেধৰণৰ প্ৰচেষ্টা হাতত লৈছিল ?

(e) ৰোমাণ্টিক কবিতাৰ যি কোনো এটা সংজ্ঞা আগবঢ়াওক।

(f) ৰজনীকান্ত ৰৱদলৈয়ে ৰচনা কৰা ঐতিহাসিক উপন্যাসকেইখনৰ নাম কি কি ?

3. তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) : 4×6=24

(a) অসমীয়া সাধুকথাৰ স্বৰূপ-বৈচিত্ৰ্য সম্পৰ্কে চমুকৈ লিখক।

(b) সাহিত্যৰ যুগবিভাজনত একোগৰাকী পণ্ডিতে কোনবোৰ কথাত গুৰুত্ব দিয়ে বুলি আপুনি ভাবে—মতামত ব্যক্ত কৰক।

(c) 'পাঁচালী সাহিত্য'ৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(d) শংকৰোত্তৰ যুগৰ নাটৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি, উল্লেখ কৰক।

(e) অসমীয়া সাহিত্যলৈ নাথান ব্ৰাউনৰ অৱদানৰ আভাস দিয়ক।

(f) নৱকান্ত বৰুৱা *নাইবা* হীৰেন ভট্টাচাৰ্য—যি কোনো এগৰাকী কবিৰ কাব্য-প্ৰতিভাৰ বিষয়ে চমুকৈ লিখক।

(g) চমু টোকা লিখক : জোনাকী।

4. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) পুৰণি অসমীয়া লিপিৰ বিষয়ে এটি তথ্যপূৰ্ণ বিশ্লেষণ আগবঢ়াওক।

(b) অসমীয়া সাহিত্যৰ প্ৰাক্‌শংকৰী যুগৰ সাহিত্যিকসকল কোন কোন ? ইয়াৰে যি কোনো এগৰাকী সাহিত্যিকৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে বহলাই লিখক।

(c) 'অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ অৱদান'—এই বিষয়ে এখনি ৰচনা লিখক।

(d) শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

(e) অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোক 'লক্ষ্মীনাথ বেজবৰুৱা যুগ' বুলি অভিহিত কৰাৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা দাঙি ধৰক।

(f) ৰামধেনু যুগৰ অসমীয়া চুটিগল্প সাহিত্যই কিদৰে সমৃদ্ধি লাভ কৰিছিল, বুজাই লিখক।

★ ★ ★